Total No. of Printed Pages—3

## 6 SEM TDC ASMH (CBCS) C 13

**2024**

( May )

ASSAMESE

( Core )

Paper : C–13

**( Assamese Prose )**

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ লিখাঁ : ১×৮=৮

(ক) পূৰবী বৰমুদৈয়ে কোনখন গ্ৰন্থৰ বাবে সাহিত্য অকাডেমী বঁটা লাভ কৰিছিল?

(খ) 'অশান্ত ইলেক্ট্ৰন' গল্পপুথিখন কোনে ৰচনা কৰা?

(গ) ৰজনীকান্ত বৰদলৈয়ে ৰচনা কৰা প্ৰথম আৰু একমাত্ৰ সামাজিক উপন্যাসখনৰ নাম লিখাঁ।

(ঘ) বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যই কোনখন উপন্যাসৰ বাবে জ্ঞানপীঠ বঁটা লাভ কৰিছিল?

(ঙ) আধুনিক অসমীয়া সাহিত্যত প্ৰথমখন জীৱনী-গ্ৰন্থৰ নাম লিখাঁ।

(চ) লক্ষ্মীনাথ বেজবৰুৱাৰ আত্মজীৱনী গ্ৰন্থখনৰ নাম কি?

(ছ) 'সাগৰ দেখিছা' ভ্ৰমণ-কাহিনীখনৰ লেখক কোন?

(জ) 'গঁড় বচোৱাৰ বাবে ইলেক্ট্ৰনিক ব্যৱস্থা' শীৰ্ষক প্ৰবন্ধটো লেখকৰ কোনখন গ্ৰন্থৰ পৰা লোৱা হৈছে?

২। (ক) 'বুঢ়ী আইৰ সাধু' গল্পটোৰ কথনভংগী সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰাঁ। ১৫

অথবা

(খ) গল্পকাৰৰ চমু পৰিচয় আগবঢ়াই 'দুৱাৰ' গল্পটোৰ বিশ্লেষণ আগবঢ়োৱাঁ। ৭+৮=১৫

৩। (ক) মানৱ আক্ৰমণে 'মনোমতী' উপন্যাসৰ কাহিনীৰ অগ্ৰগতি কিদৰে নিয়ন্ত্ৰণ কৰিছে, বিৱৰি আলোচনা কৰাঁ। ১৫

অথবা

(খ) 'ইয়াৰুইঙ্গম' উপন্যাসত প্ৰকাশ পোৱা গান্ধীবাদী আদৰ্শ আৰু সশস্ত্ৰ আন্দোলনৰ দ্বন্দ্ব আৰু পৰিস্থিতি কেনেদৰে অংকন কৰিছে, আলোচনা কৰাঁ।

৪। (ক) 'আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন-চৰিত্ৰ'ৰ আধাৰত গুণাভিৰাম বৰুৱাৰ গদ্যৰ বিশেষত্ব আলোচনা কৰাঁ। ১৫

অথবা

(খ) 'মোৰ জীৱন সোঁৱৰণ' পাঠটিত প্ৰকাশ পোৱা লক্ষ্মীনাথ বেজবৰুৱাৰ বাল্যকালৰ ছবিখনৰ বিষয়ে বিৱৰি লিখাঁ।





৫। (ক) স্বৰাজোত্তৰ কালৰ অসমীয়া ভ্ৰমণ-লেখা সম্পৰ্কে এটি টোকা লিখাঁ। ১২

অথবা

(খ) হেম বৰুৱাৰ 'ইজ্ৰাইল' ভ্ৰমণ-বিষয়ক পাঠটিৰ বিষয়ে এটি আলোচনা যুগুত কৰাঁ।

৬। (ক) 'জীৱনৰ জয়গান' নামৰ পাঠটিৰ যোগেদি প্ৰকাশ পোৱা প্ৰেৰণাদায়ক আৰু আত্ম-উৎকৰ্ষমূলক দিশসমূহ আলোচনা কৰাঁ। ১৫

অথবা

(খ) গঁড় বচোৱাৰ ক্ষেত্ৰত ইলেক্ট্ৰনিক ব্যৱস্থাৰ প্ৰয়োগ কেনেদৰে কৰিব পাৰি, তোমাৰ পাঠ্য পাঠটিৰ আধাৰত আলোচনা কৰাঁ।

★★★

Total No. of Printed Pages—3

## 6 SEM TDC ASMH (CBCS) C 14

**2024**

( May )

ASSAMESE

( Core )

Paper : C–14

( অসমৰ ভাষা আৰু লিপি )

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। (ক) অসমত কি কি ভাষা-পৰিয়ালৰ ভাষাৰ প্ৰচলন আছে? 'অসমত প্ৰচলিত আৰ্যমূলীয় ভাষা'ৰ বিষয়ে এটি পৰিচয়সূচক আলোচনা যুগুত কৰাঁ। ৩+১২=১৫

*অথবা*

(খ) আৰ্যভিন্ন ভাষাৰ ধাৰণা স্পষ্ট কৰি অসমত প্ৰচলিত আৰ্য-ভিন্ন ভাষাসমূহৰ বিষয়ে এটি আলোচনা যুগুত কৰাঁ। ১৫

২। (ক) অসমীয়া ভাষাৰ ৰূপতাত্ত্বিক বৈশিষ্ট্যৰ বিষয়ে উদাহৰণসহ এটি আলোচনা যুগুত কৰাঁ। ১৫

অথবা

(খ) অসমীয়া ভাষাৰ যি কোনো এটা উপভাষাৰ ভাষাগত বৈশিষ্ট্যসমূহ চিহ্নিত কৰি এটি আলচ যুগুত কৰা।

৩। (ক) অসমত প্ৰচলিত তিব্বত-বৰ্মী শাখাৰ ভাষাবোৰৰ নাম উল্লেখ কৰি মিচিং ভাষাৰ ধ্বনিগত আৰু ৰূপগত বৈশিষ্ট্যৰ বিষয়ে আলোচনা কৰা। ৩+৬+৬=১৫

অথবা

(খ) অসমৰ টাইমূলীয় ভাষাকেইটাৰ উমৈহতীয়া বৈশিষ্ট্যৰ উল্লেখ কৰি ফাকে ভাষাৰ ধ্বনিতাত্ত্বিক আৰু ৰূপতাত্ত্বিক বৈশিষ্ট্যৰ বিষয়ে আলোচনা কৰা। ৫+১০=১৫

৪। চমু আভাস দিয়া (যি কোনো দুটা) : ৭×২=১৪

(ক) বড়ো ভাষাত অসমীয়া ভাষাৰ উপাদান

(খ) অসমীয়া ভাষাত টাই ভাষাৰ শব্দ

(গ) অসমীয়া ভাষাত দ্ৰাবিড় ভাষাগোষ্ঠীৰ উপাদান

৫। চমু টোকা লিখা (যি কোনো তিনিটা) : ৫×৩=১৫

(ক) অসমৰ জনগোষ্ঠীয় ভাষাৰ লিপি

(খ) কানাই বৰশী বোৱা শিলালিপি

(গ) কুটিল লিপি

(ঘ) নগাজৰী খনিকৰ লিপি

(ঙ) কাইথেলী লিপি





৬। উত্তৰ দিয়া : ১×৬=৬

(ক) অসমত প্ৰচলিত আৰ্যমূলীয় সংযোগী ভাষাটোৰ নাম কি?

(খ) কামৰূপী উপভাষাত শ্বাসাঘাত শব্দৰ কোন অক্ষৰত পৰে?

(গ) 'বগা' শব্দটো কোন ভাষাৰ পৰা অহা?

(ঘ) অসমীয়া ভাষাত উচ্চাৰিত কণ্ঠ, সঘোষ, উষ্ম ধ্বনিটো কি?

(ঙ) শ্ৰীধৰ স্বামীৰ সুবোধিনী টীকা কোনটো শৈলীৰ নিদৰ্শন?

(চ) 'অসমীয়া লিপি' গ্ৰন্থখন কাৰ ৰচনা?

★★★